৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

অসম আদিত্য

হিন, ১৯৪৮ শক ■ সোমবাৰ, ২৮ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, September 28, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

শবা

খুজি

গান্ধী

কানৈ কলেজৰ ছাত্ৰাৱাসত খোৱাপানী প্ৰকল্প মুকলি

ষ্টাফ ৰিপৰ্টাৰ, ২৭ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসত জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ উদ্যোগত স্থাপন কৰা এক বিশুদ্ধ খোৱাপানীৰ বহুমুখী প্ৰকল্প ২৬ ছেপ্টেম্বৰৰ সন্ধিয়া মুকলি কৰা হয়। প্ৰকল্পটো মুকলি কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— প্ৰায় সোতৰ বছৰ ধৰি জৰাজীৰ্ণ হৈ বিধ্বস্তপ্ৰায় অৱস্থাত থকা ছাত্ৰাবাসটো ২০১৭ চনত মুকলি কৰা হয়। অধ্যক্ষ হিচাপে মহাবিদ্যালয়খনত যোগদান কৰিয়েই ছাত্ৰাৱাসটো মুকলি কৰাৰ সিদ্ধান্ত লৈছিল বুলি উল্লেখ কৰি তেওঁ কয়— মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ পৰিয়ালৰ সহযোগত ছাত্ৰাৱাসটো উন্নত কৰাই আৱাসীৰ বাবে বসবাসৰ উপযোগী কৰি গঢ়ি তুলি ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস নামেৰে নামাকৰণ কৰা হয়। বিধ্বস্তপ্ৰায়, জৰাজীৰ্ণ হৈ থকা ছাত্ৰাবাসটো পুনৰ মুকলি কৰাৰ পিছত অনেক সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকা অৱস্থাত ইটোৰ পিছত সিটো সমস্যা সমাধান কৰিবলৈ পৰিচালনা সমিতিকে ধৰি মহাবিদ্যালয়খনৰ পৰিয়ালে চেষ্টা কৰি আহিছিল। দীৰ্ঘদিন ধৰি ছাত্ৰাৱাসৰ আৱাসীসকলে বিশুদ্ধ খোৱাপানীৰ অভাৱ অনুভৱ কৰি অহাৰ পিছত ২৬ ছেপ্টেম্বৰত সেই দীৰ্ঘদিনীয়া সমস্যা সমাধান হয় বুলি কয়। প্ৰকল্পটো যোগান ধৰাৰ বাবে জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ অন্যতম মধ্যমণি শিক্ষাশিৰোমণি জ্যোতি প্ৰসাদ কানৈক অধ্যক্ষগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ফাউণ্ডেশ্যনৰ সকলো কৰ্ম-কৰ্তাক কৃতজ্ঞতা জ্ঞাপন কৰে। অধ্যক্ষগৰাকীয়ে কেৱল ছাত্ৰাবাসেই নহয়, মহাবিদ্যালয়খনৰ ছাত্ৰীনিবাসৰ লগতে অন্যান্য সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত জ্যোতি প্ৰসাদ কানৈয়ে লোৱা ভূমিকাক ভূঁয়সী প্ৰশংসা কৰে। অনুষ্ঠানত জ্যোতি প্ৰসাদ কানৈয়ে অধ্যক্ষৰ অনুৰোধ ৰক্ষা কৰি পানী যোগান প্ৰকল্পটো স্থাপন কৰা হয় বুলি উল্লেখ কৰি এইপ্ৰকল্পটোৱে আৱাসীসকলৰ খোৱাপানীৰ সমস্যা আঁতৰ কৰিলে বুলি কয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়া, সদস্য ড০ গোপাল চন্দ্ৰ হাজৰিকা, প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ সদস্য অভিমন্যু বৰুৱা, ছাত্ৰাবাসৰ অধীক্ষক অধ্যাপক ড০ বিৰাজ দত্তকে প্ৰমুখ্য কৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰাবাসৰ আৱাসীসকল উপস্থিত থাকে। উল্লেখ্য যে, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস নামেৰে জনপ্ৰিয় হোৱা ছাত্ৰাবাসত অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ উপৰি বিহাৰ, ওড়িযা, অৰুণাচল প্ৰদেশ আদি বিভিন্ন ৰাজ্যৰ শিক্ষাৰ্থীও আছে। প্ৰকল্প উদ্বোধন কৰাৰ পিছত আৱাসীসকলে অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈক ধন্যবাদ জ্ঞাপন কৰে।

আছা জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভা

ইউএডিএডিয়ে আন্তৰিক আদৰাণ
সাংকেতিক ভাষা শিকাৰ প্ৰতি আৰক্ষী
এনে ইতিবাচক দৃষ্টিভংগীৰ বাবে সং
ডিব্ৰুগড় আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বি
সকলো কৰ্মচাৰীলৈ বিশেষ ধন্যবাদ আৰ

মৰাণত স্মৰণি

মৰাণ, ২৭ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় জিলা অন্তৰ্গত খোৱাং ঘূগুলনী গাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী ঘূগুলনী নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, ঘূগুলৱনী নৱজ্যোতি যুৱক সংঘৰ প্ৰাক্তন সম্পাদক তথা বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতঃভাৱে জড়িত হস্তবাহাদুৰ নেৱাৰৰ অকাল মৃত্যুত মৰাণ খোৱাবাসী আজি গভীৰভাৱে মৰ্মাহত হৈছে। আজীৱন শিক্ষাব্ৰতী, সৰ্বজনহি নাগৰিক তথা সমাজ সংগঠক নেৱাৰৰ মৃত্যুত নেপালী ভাষী আমাৰ গোৰ্খালি জনজীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি আমি অনুভৱ কৰিছোঁ। স্বাভাবিকতে গ্ৰাম্যাঞ্চলৰ সমাজ জীৱনৰ নৱপ্ৰজন্মৰ বাবে হস্তবাহাদুৰ নেৱাৰৰ কৰ্মময় জীৱনৰ আস্থাৰ শিখা স্বৰূপ বুলি অভিহিত কৰিব পাৰোঁ। আজীৱন শিক্ষাব্ৰতী সমাজ সংগঠক হস্তবাহাদুৰ নেৱাৰৰ আদ্যশ্ৰাদ্ধৰ